**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-02-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

অসম সাহিত্য সভাৰ সপ্ত সপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি তৃতীয় দিন। পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত আজি সাহিত্য সভাৰ নতুন সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক ময়ুৰপংক্ষী ৰথত লৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। পদ্মভূষণ স্বীকৃতি প্ৰাপ্ত নৃত্যাচাৰ্য্য যতীন গোস্বামীয়ে সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে। সাংস্কৃতিক শোভাযাত্ৰাৰ অন্তত সাহিত্য সভাৰ পাঠশালা অধিবেশনৰ মুকলি সভা অনুষ্ঠিত হয়। সাহিত্যিক ফনীন্দ্ৰ কুমাৰ দেবচৌধুৰীৰ প্ৰথমখন মুকলি সভা উদ্বোধন কৰে। ইয়াৰ পিছতে অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাই নতুন সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক আদৰণি জনাই সভাপতিৰ দায়িত্ব অৰ্পন কৰে। ড° গোস্বামী সভাপতিত্ব কৰা প্ৰথমখন মুকলি সভাত আদৰণি সমিতিৰ সভাপতি হিচাপে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আদৰণি ভাষণ আগবঢ়ায়। এই সভাতে সন্মানীয় অতিথি হিচাপে নেপালৰ ত্ৰিভূবন বিশ্ববিদ্যালয়ৰ অধ্যাপক মাধৱ পোখ্ৰেলে অংশগ্ৰহণ কৰাৰ লগতে সন্মানীয় অতিথি হিচাপে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়া, কনক সেন ডেকা, ৰংবং টেৰাং, ইমৰাণ শ্বাহ, ড° ধ্ৰুৱজ্যোতি বৰা আৰু প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি প্ৰহ্লাদ চন্দ্ৰ টাছা, ড° পৰমানন্দ ৰাজবংশী আৰু কুলধৰ শইকীয়াই অংশগ্ৰহণ কৰে। একেখন সভাতে আমন্ত্ৰিত অতিথি হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জল কুমাৰ ভট্টাচাৰ্য্য অংশগ্ৰহণ কৰে।

আজি পুৱা ধ্ৰুপদী অসমীয়া ভাষা শীৰ্ষক এখন আলোচনা চক্ৰৰে আজিৰ কাৰ্যক্ৰমণিকাৰ শুভাৰম্ভ কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অৰ্পনা কোঁৱৰে উদ্বোধন কৰা আলোচনাসত্ৰখনত গুৱাহাটী বিশ্ববিদ্যালয় অসমীয়া বিভাগৰ অধ্যাপক কনক চন্দ্ৰ চহৰীয়াই সঞ্চালনা কৰে। আলোচনাসত্ৰখনত গৱেষক, সাহিত্যিক, লিপি বিশেষজ্ঞ অশোক শৰ্মা, কটন বিশ্ববিদ্যালয়ৰ পূৰাতত্ব বিভাগৰ অধ্যাপক ড০ মঞ্জিল হাজৰিকা আৰু পশ্চিমবংগৰ বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ভাৰপ্ৰাপ্ত প্ৰধান ড০ সংগীতা শইকীয়াই আলোচক হিচাপে অংশগ্ৰহণ কৰে। আজি তৃতীয় দিনাৰ কাৰ্যসূচীতো হাজাৰ হাজাৰ লোকৰ সমাগম হৈছে বুলি আমাৰ আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়ে।

০০০০০০০

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই ADVANTAGE ASSAM শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন বৈঠকত মিলিত হয়। সন্মিলনখন সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্যে বৈঠকখনত পৰিকল্পনা প্ৰস্তুত কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰৰ ভাৱাদৰ্শৰ সৈতে সংগতি ৰাখি প্ৰস্তুত কৰা পৰিকল্পনাসমূহৰ ৰূপায়ণ সন্দৰ্ভত বৈঠকখনত আলোচনা কৰা হয়। বৈঠকখনত অসম ঔদ্যোগিক উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক মানবেন্দ্ৰ প্ৰতাপ সিঙকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

দৰং জিলাৰ দলগাঁও থানাৰ অন্তৰ্গত শিলবৰী আৰু কৌপাটি সংযোগী গড়কাপ্তানী পথত সংঘটিত এটা পথ দুৰ্ঘটনাত এগৰাকী মহিলাসহ মুঠ দুগৰাকী লোক নিহত হোৱাৰ লগতে দুটি শিশু আহত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে শিলবৰীৰ পৰা কৌপাটি অভিমুখে গৈ থকা মটৰ চাইকেলখনক বিপৰীত দিশৰ পৰা অহা এখন মালবাহী ট্ৰাকে খুন্দিওৱাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত মটৰ চাইকেলখনৰ দুগৰাকী আৰোহী থিতাতে নিহত হয়। আহত শিশু দুটিক ততালিকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

০০০০০০০

ভাৰতে ১৯ বছৰ অনুৰ্ধ আই চি চি মহিলাৰ টী-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বিজয়ী খিতাপ দখল কৰিছে। মালয়েছিয়াৰ কোৱালা লামপুৰৰ বায়ুয়েমাছ অ'ভেল ষ্টেডিয়ামত অনুষ্ঠিত চূড়ান্ত খেলখনত ভাৰতে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰে। ভাৰতে একেৰাহে দ্বিতীয়বাৰৰ বাবে এই খিতাপ দখল কৰিছে। প্ৰথমে বেট ধৰি দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৮২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত গংগাদি তৃষাৰ অপৰাজিত ৪৪ ৰানৰ সহায়ত ভাৰতে ১২ অ'ভাৰতে ৮৩ ৰান সংগ্ৰহ কৰি নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। তৃষাক প্লেয়াৰ অৱ্ দা মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰতৰ হৈ চানিকা চলকেয়ে ২৬ ৰানৰ বৰঙণি আগবঢ়াই অপৰাজিত হৈ থাকে। দক্ষিণ আফ্ৰিকাৰ হৈ মিয়েকে ভেন ৱুৰ্ষ্টে সৰ্বাধিক ২৩ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ গংগাদি তৃষাই তিনিটা আৰু বৈষ্ণৱী শৰ্মা, আয়ুসী শুক্লা তথা পাৰোনিকা ছিছ'দিয়াই দুটাকৈ উইকেট দখল কৰে। শ্ববনম এম ডি ছাকিলে এটা উইকেট দখল কৰে। ভাৰতৰ গংগাদি তৃষাই প্ৰতিযোগিতাত মুঠ ৩০৯ ৰান সংগ্ৰহ কৰি প্লেয়াৰ অৱ্ দা টুৰ্ণামেণ্ট খিতাপ লাভ কৰে। আনহাতে, বৈষ্ণৱী শৰ্মাই ছখন খেলত হেট্ৰিক কৰি সৰ্বাধিক ১৭ টা উইকেট দখল কৰে।

০০০০০০০

ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ ভাৰোত্তোলক মৃদুস্মিতা বৰুৱাই আজি ৰূপৰ পদক অৰ্জন কৰে। ভাৰোত্তোলকগৰাকীয়ে ৮৭ কিলোগ্ৰাম শাখাত ভাগ লৈ স্নেটছত ৯৫ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১১৩ কিলোগ্ৰাম ভাৰোত্তোলনেৰে ৰূপৰ পদক দখল কৰিবলৈ সক্ষম হৈছে। মৃদুস্মিতা বৰুৱাৰ সফলতাৰে উত্তৰাখণ্ডত চলি থকা ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ পদক ১৩ টালৈ বৃদ্ধি পাইছে। আজি কমনৱেল্থ গেমছত লন বলত পদক লাভ কৰা নয়নমণি শইকীয়াও খেলি আছে।

অসমে কালি ৩টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰে ভিতৰত অসমে সাঁতোৰত দুটা, ভাৰোত্তলনত আৰু উশুত একোটাকৈ পদক অৰ্জন কৰে। বিক্ৰম চাংমাই পুৰুষৰ ২০০ মিটাৰ বাটাৰফ্লাইত ৰূপৰ পদক লাভ কৰে আৰু মহিলাৰ একেটা শিতানত আস্থা চৌধুৰীয়ে ব্ৰঞ্জৰ পদক হস্তগত কৰে। ভাৰোত্তোলনত সুদিত্য বৰুৱাই কালি অসমক তৃতীয়টো পদক দিয়ে। সুদিত্যই পুৰুষৰ ৮৯ কিলোগ্ৰাম ওজন শাখাত স্নেছ শিতানত ১৪১ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্ক শিতানত ১৭৮ কিলোগ্ৰাম ভাৰোত্তোলন কৰি ৰূপৰ পদক লাভ কৰে। একেদৰে ক্ষুদ্ৰা পানগিঙে উশুৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ চান্দা ফ্ৰিষ্টাইলৰ ফাইনেলত পৰাজিত হৈ ৰূপৰ পদকতে ক্ষান্ত থাকিবলগীয়া হয়।

ইপিনে, অসমৰ পুৰুষ ফুটবল দলটোৱে উত্তৰাখণ্ডক ১-০ গ'লত পৰাস্ত কৰি ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ ফুটবলৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ অসমে মিজোৰামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

**সমাপ্ত**